# সংগীত সত্ৰ, গুৱাহাটী

## ৰূপালী জয়ন্তী — স্মৃতিগ্ৰন্থ

২০ ২১ আৰু ২২ ডিচেম্বৰ, ১৯৭৩



সম্পাদক : কিশোৰীমোহন পাঠক

# সঙ্গীত সত্ৰ গুৱাহাটীৰ ৰূপালী জয়ন্তী

# স্মৃতিগ্ৰন্থ

(১৯৯৩ চন)



সম্পাদক ঃ

শ্ৰীকিশোৰী মোহন পাঠক

# সঙ্গীত সত্ৰ গুৱাহাটীৰ ৰূপালী জয়ন্তী উৎসৱ
## উদ্‌যাপান সমিতি

— মুখ্য পৃষ্ঠপোষক —

***শ্ৰীহিতেশ্বৰ শইকীয়া***

মুখ্যমন্ত্ৰী, অসম

উপদেষ্টা : ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য
শ্ৰীতুলসী গোবিন্দ বৰুৱা
,, উপেন ভূঞা
,, শুচিব্ৰতা ৰায় চৌধুৰী
,, মেদিনী মোহন চৌধুৰী
ডঃ নিৰ্মল প্ৰভা বৰদলৈ
শ্ৰীকীৰ্ত্তি নাথ হাজৰিকা
,, যোগেশ দাস
,, অতুলানন্দ গোস্বামী
,, তফজ্জুল আলি
শ্ৰীঅনিল বৰুৱা
,, গনেশ বৰুৱা
,, জগত বৰুৱা
,, অতুল বৰুৱা
,, বিমল কুমাৰ হাজৰিকা
,, আনন্দমোহন ভাগৱতী
,, কৃষ্ণমূৰ্ত্তি হাজৰিকা
,, ৰত্ন ওজা
,, প্ৰদীপ চলিহা
,, প্ৰফুল্ল হাজৰিকা

সভাপতি : ড° মহেশ্বৰ নেওগ

কাৰ্য্যকৰী সভাপতি : ড° বীৰেন্দ্ৰ নাথ দত্ত

সাঃ সম্পাদক : শ্ৰীপ্ৰদীপ বৰদলৈ

## ॥ *অভ্যৰ্থনা সমিতি* ॥

উপদেষ্টা : ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য
শ্ৰীভগগিৰি ৰায় চৌধুৰী
শ্ৰীফনী শৰ্মা

সভাপতি : — শ্ৰীৰাধা বৰা
সম্পাদক : — শ্ৰীপ্ৰদীপ বৰদলৈ
কোষাধ্যক্ষ : — শ্ৰীভবেশ্বৰ নাথ

স্মৃতিগ্ৰন্থ উপ-সমিতি :

সভাপতি : শ্ৰীকেশৱ মহন্ত
সম্পাদক : শ্ৰীকিশোৰী মোহন পাঠক

সাংস্কৃতিক উপ-সমিতি :

সভাপতি : শ্ৰীৰমেশ্বৰ শইকীয়া
সম্পাদক : শ্ৰীজীৱনজিৎ দত্ত

প্ৰচাৰ উপ-সমিতি :

সভাপতি : শ্ৰীসূৰ্য হাজৰিকা
সম্পাদক : শ্ৰীবিকাশ বৰা

বেটুপাতৰ শিল্পী : ত্ৰৈলোক্য দত্ত ॥ মুদ্ৰক : ইষ্টাৰ্ণ প্ৰিন্টাছ, গুৱাহাটী-২৪

GOVERNOR

ASSAM

RAJBHAVAN
GUWAHATI

December 09. 1993



## MESSAGE

I am glad to know that the Sangita Satra, Guwahati is going to celebrate its Silver Jubilee from 20th to 22nd December. 1993 and a souvenir is being brought out to mark this occasion.

Assam is a land with rich culture and heritage. Srimanta Sankaradev who was one of the greatest saint poets of the country had initiated the Bhakti movement in Assam. Srimanta Sankardev moulded and enriched the Assamese community through his spiritual teachings and closely associated with the renaissance of the art and culture of the State. I am sure that orgnaisers of Sangita Satra will devote their services to the cause of the common people.

I convey my best wishes for all success.

(Loknath Misra)

মুখ্যমন্ত্ৰী

অসম

১৬ ডিচেম্বৰ, ১৯৯৩ চন



## ।। শুভেচ্ছা বাণী ।।

গুৱাহাটী সঙ্গীত সত্ৰই অহা ২০ ডিচেম্বৰ তাৰিখৰ পৰা ইয়াৰ ৰূপালী জয়ন্তী উৎসৱ পালন কৰিবলৈ লোৱা বুলি শুনি মই আনন্দিত হৈছো।

জটিল কৰ্ম্মময় জীৱনত মানুহৰ জীৱন সুখময় আৰু আয়ুস সুদীৰ্ঘ কৰাৰ বাবে মানুহক অৱসৰ আৰু আনন্দ্যানুভূতিৰ প্ৰয়োজন। সঙ্গীত ইয়াৰ প্ৰশস্ত মাধ্যম। সঙ্গীতে সমাজত বৈষম্য দূৰ কৰি ঐক্য আৰু সম্প্ৰীতি সৃষ্টি কৰে। ৰূপালী বৰ্ষ উদ্‌যাপন সঙ্গীত সত্ৰৰ কৰ্ম্মময় কালৰ পৰিচিতি।

মই আশা কৰোঁ ৰূপালী বৰ্ষ কাৰ্য্যসূচীয়ে অনুষ্ঠানটোক অধিক টনকিয়াল কৰি উদ্দেশ্য সাধনত অধিক ফলৱতী কৰি তুলিব।

শ্ৰীহিতেশ্বৰ শইকীয়া



## ।। শুভেচ্ছা বাণী ।।

সংগীত সত্ৰ, গুৱাহাটীৰ ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপিত হব বুলি জানি সন্তোষ পালো। মহাপুৰুষ শ্ৰীমন্ত শংকৰ-মাধৱে অসমীয়া জাতিক দি যোৱা আপুৰুগীয়া সোণসেৰীয়া সম্ভাৰ সত্ৰীয়া গীত-বাদ্য-নৃত্যাদিৰ শিক্ষণ-প্ৰশিক্ষণ দি অহা এই মহৎ অনুষ্ঠানে পঁচিছ বছৰত ভৰি দিয়াটো উল্লেখযোগ্য। এই অনুষ্ঠানৰ ৰূপালী জয়ন্তী উপলক্ষে এখন স্মৃতি গ্ৰন্থও প্ৰকাশ পাব বুলি শুনি হৰষিত হলো।

স্মৃতি গ্ৰন্থখন সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ পাওক আৰু ৰূপালী জয়ন্তী উৎসৱ সৰ্বতো প্ৰকাৰে সাফল্য মণ্ডিত হওক তাকেই একান্তভাৱে কামনা কৰিলো। ইতি—

বৰপেটা<br>অক্টোবৰ ২৬, ১৯৯৩ চন

শ্ৰীচন্দ্ৰকান্ত মিশ্ৰ বুঢ়া সত্ৰীয়া<br>বৰপেটা সত্ৰ



## ।। শুভেচ্ছা বাণী ।।

গুৱাহাটী মহানগৰীত অৱস্থিত সঙ্গীত সত্ৰ নামৰ নৃত্য-গীত-বাদ্য প্ৰশিক্ষণ বিদ্যালয়ৰ সৌজন্যত অহা ইং ২০, ২১ আৰু ২২ ডিচেম্বৰত অনুস্থিত কৰিব খোজা ৰূপালী জয়ন্তী উৎসৱটিৰ প্ৰতি আমি শুভেচ্ছা জনাইছোঁ।

বিশেষকৈ আলোচনা চক্ৰ, সত্ৰীয়া নৃত্য-গীত বাদ্যৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে ভাওনা আদিও প্ৰদৰ্শন কৰিবলৈ লোৱাত আমি পৰম সন্তোষ পাইছো। যিহেতু এনে ধৰণে প্ৰদৰ্শন মূলক প্ৰতিযোগিতাৰ দ্বাৰা শিক্ষাবিদ, সাংস্কৃতিক প্ৰেমী গুণী জ্ঞানী ব্যক্তিসকলৰ প্ৰতি বহু গুণে উপকাৰ সাধন কৰা হব আৰু সঙ্গীত সত্ৰ যোগে সত্ৰীয়া নৃত্য-গীত-বাদ্য বহুগুণে প্ৰচাৰ প্ৰসাৰতা লাভ কৰিব। তাৰ বাবে আমি পৰম সন্তোষ পাইছো।

যাই হওঁক সত্ৰীয়া নৃত্য গীত-বাদ্যৰ প্ৰশিক্ষণ দি অহা সঙ্গীত সত্ৰই যি অকুণ্ঠ প্ৰচেষ্টা চলাই আহিছে তাৰ প্ৰতি আন্তৰিক শুভাশীৰ্ব্বাদ জ্ঞাপন কৰা হ'ল। ইতি—

কমলাবাৰী সত্ৰ
তিতাবৰ
ডিচেম্বৰ ০৯, ১৯৯৩ চন

***শ্ৰীশ্ৰীভৱকান্তদেৱ গোস্বামী***
সত্ৰাধিকাৰ, কমলাবাৰী সত্ৰ

# সূচীপত্ৰ


১। সম্পাদকীয়— ২

২। ডঃ মহেশ্বৰ নেওগ — অসমত ধ্ৰুপদী নৃত্যৰ ঐতিহ্য আৰু সত্ৰীয়া নৃত্য ৫

৩। শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামী — কমলাবাৰী সত্ৰত সত্ৰীয়া নৃত্যৰ চৰ্চা আৰু পৰম্পৰা ১০

৪। শ্ৰীশ্ৰীপীতাম্বৰদেৱ গোস্বামী — সত্ৰীয়া নৃত্যৰ উৎপত্তি আৰু জনজীৱনত ইয়াৰ প্ৰয়োজনীয়তা ১৬

৫। ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য -- বিবৰ্ত্তনত সত্ৰীয়া নৃত্য ১৯

৬। শ্ৰীযোগেশ দাস— সঙ্গীত সত্ৰ, গুৱাহাটী আৰু ইয়াৰ সেৱা ২৫

৭। ডঃ নিৰ্মল প্ৰভা বৰদলৈ— সংস্কৃতি আৰু শ্ৰীশ্ৰীশঙ্কৰদেৱ ২৮

৮। শ্ৰীকেশৱ মহন্ত-- সঙ্গীত সত্ৰৰ উৎপত্তি-কালৰ জিলিঙনি ৩১

৯। ডঃ অৰুণিমা ভৰালী— অঙ্কীয়া নাটকত অসমীয়া গদ্যৰ নিদৰ্শন ৩৩

১০। শ্ৰীগৰিমা হাজৰিকা— সত্ৰীয়া আৰু উৰিছী নৃত্য ৩৭

১১। শ্ৰীৰমেশ্বৰ শইকীয়া— সঙ্গীত-সত্ৰৰ আৰম্ভণী আৰু শিক্ষা দান কথা ৪০

১২। ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য— সংগীত সত্ৰৰ ৰূপালী জয়ন্তী লগনত ৪৫

১৩। ডঃ বীৰেন্দ্ৰনাথ দত্ত— Bargits of Assam : An introduction ৪৬

১৪। শ্ৰীদিলীপ ৰঞ্জন বৰঠাকুৰ—হিন্দুস্থানী সংগীতৰ তালৰ লগত সত্ৰীয়া তালৰ তুলনামূলক অধ্যয়ন ৫৩

১৫। শ্ৰীদিলীপ চাংকাকতি— কেশৱ চাংকাকতিৰ সত্ৰীয়া সংগীতৰ পুথি: বিশ্লেষণাত্মক অধ্যয়ন ৬১

১৬। শ্ৰীপ্ৰদীপ বৰদলৈ— সঙ্গীত সত্ৰৰ বিগত পচিশ বছৰৰ চমু খতিয়ান

## সম্পাদকৰ এষাৰ—

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে যি বিশাল সংস্কৃতিৰ জন্ম দিলে সেয়াই সাধাৰণ লোকৰ প্ৰাণত সৰ্ব্বভূততে ঈশ্বৰ চিন্তাৰ ভাব জাগ্ৰত কৰাৰ লগতে সকলো শ্ৰেণীৰ লোকৰ মাজত ঐক্যৰ ভেটি সুদৃঢ়কৈ স্থাপন কৰিবলৈ পথ দেখুৱালে। মহাপুৰুষজনাৰ সাংস্কৃতিক সম্পদ সমূহক শংকৰী সংস্কৃতি বোলা হয়। সত্ৰত বিকাশ হোৱা হেতুকে ই সত্ৰীয়া সংস্কৃতি নামেৰেও জনাজ্ঞাত হ'ল। সত্ৰীয়া সংস্কৃতিৰ প্ৰাণ ভগৱান কৃষ্ণ। জ্যোতি প্ৰসাদ আগৰৱালাই সেয়েহে ইয়াৰ নাম ৰাখিলে 'কৃষ্ণ সংস্কৃতি'। কাৰণ শংকৰদেৱে যি গীত, নাটক, নৃত্য আৰু সাহিত্যৰ আন আন দিশ ৰচিলে সেই সকলোখিনি কৃষ্ণক কেন্দ্ৰ কৰিয়েই ৰচিত।

সত্ৰীয়া সংস্কৃতিৰ চিন্তা–চৰ্চ্চা, প্ৰশিক্ষণ আৰু পৰিবেশনৰ মুখ্য স্থান হ'ল অসমৰ সত্ৰ সমূহ। মন কৰিবলগীয়া যে অসমৰ সত্ৰানুষ্ঠানৰ দৰে অনুষ্ঠান ভাৰতৰ আন কোনো ৰাজ্যত দেখিবলৈ পোৱা নেযায়। প্ৰতিখন সত্ৰ স্বয়ং সম্পূৰ্ণ বিশ্ববিদ্যালয় স্বৰূপ। বিশ্ববিদ্যালয় আচাৰ্য স্বৰূপ সত্ৰৰ গৰাকী হ'ল সত্ৰাধিকাৰ। সেইবুলি এখন সত্ৰৰ অধিপত্য আন এখন সত্ৰৰ ওপৰত নাই। সত্ৰৰ স্বতন্ত্ৰতা আছে আৰু সেয়ে ই এক প্ৰকাৰ স্বায়ত্ব শাসিত অনুষ্ঠান। পূৰ্ব্বে সত্ৰবোৰত যিদৰে সত্ৰীয়া সংস্কৃতিৰ শিক্ষাদান কৰা হৈছিল বা প্ৰদৰ্শন কৰা হৈছিল, দুখৰ বিষয় বৰ্ত্তমান বহুকেইখন সত্ৰত সেই অৱস্থা নাই। সত্ৰীয়া সংস্কৃতি আৰু সাহিত্যাদি চৰ্চ্চা আৰু প্ৰচাৰৰ ক্ষেত্ৰত বৰ্ত্তমানৰ সত্ৰাধিকাৰ সকলৰো এক গুৰু দায়িত্ব আছে। সত্ৰধিকাৰসকলে যদি নিজৰ পাণ্ডিত্যৰ দ্বাৰা এই ক্ষেত্ৰত মন দিয়ে তেতিয়া সুফল নিশ্চয় আশা কৰিব পাৰি। সন্তোষৰ বিষয় যে মাজুলীৰ সত্ৰকেইখন, বিশেষকৈ নতুন কমলাবাৰী সত্ৰই প্ৰচাৰৰ হকে প্ৰচেষ্টা চলাই আহিছে; নিজৰ পাণ্ডিত্যৰে সত্ৰাধিকাৰজনাই উপযুক্ত গ্ৰন্থও ৰচনা কৰিছে।

আজি সত্ৰীয়া সংস্কৃতি তথা সত্ৰীয়া সংগীত সত্ৰৰ চাৰিবেৰৰ পৰা ওলাই আহি বাহিৰৰ মঞ্চ, অনাতাঁৰ, দূৰদৰ্শন আদিত প্ৰৱেশ কৰিছে। সত্ৰৰ বাহিৰত যিবোৰ অনুষ্ঠান সত্ৰীয়া কলা-কৃষ্টি প্ৰচাৰাৰ্থে স্থাপিত হৈছে এনেবোৰ অনুষ্ঠানেহে যে কেৱল বাহিৰত সত্ৰীয়া নৃত্য-নাট্য কলা প্ৰচাৰত আত্ম নিয়োগ কৰিছে এয়া নহয়। সময়ৰ লগত খোজ মিলাবলৈ সত্ৰৰ ভকত শিল্পীসকলেও সত্ৰৰ বাহিৰৰ বিভিন্ন স্হানলৈ গৈ সত্ৰীয়া সংস্কৃতি প্ৰচাৰত উঠিপৰি লাগিছে। আৰু হয়তো এনে যত্নৰ ফল স্বৰূপেই ভাৰতৰ বাহিৰে ইন্দোনেচীয়া দেশতো শংকৰদেৱৰ ৰচিত অংকীয়া নাটক 'ৰাম বিজয়' ভাওনাৰ প্ৰদৰ্শন হৈছে। মহাপুৰুষৰ অংকীয়া নাটক সংগীতৰ মায়াজালেৰে আবৃত। তেৰাই আচলতে সত্ৰসমূহক সংগীত সৰোবৰত পৰিণত কৰিলে। কিন্তু দুখৰ বিষয় যে কোনো কোনো ভাওনা দলে ভাওনা কেৱল ধেমালিৰ কাৰণে কৰা যেন লাগে। দৰাচলতে ভাওনাৰ মূল্য কি তাক বুজি লৈহে ভাওনা কৰা উচিৎ। আন ৰাজ্যৰ শিল্পীয়ে সাজিদিয়া পোচাক, কেৰেয়া ভৰি আনি বা কিনি আনি ভাওনা নকৰিলে নহয়। অৱশ্যে কমলাবাৰী সত্ৰকেইখনে নিজস্বভাৱে সাজ-পোচাক তৈয়াৰ কৰি ভাওনা প্ৰদৰ্শন কৰা দেখা যায়।

ভাওনা সম্পৰ্কে আমাৰ দৰিদ্ৰতা ভালেখিনি আছে। আনপিনে ভাৰতীয় সত্ৰীয়া সংগীত যিদৰে ৰাগৰ ওপৰত প্ৰতিষ্ঠিত সেইদৰে বৰগীততো ৰাগ দিয়া আছে। বৰগীতো ৰাগ দি গোৱা হয়। অথচ আজিলৈ বৰগীত শাস্ত্ৰীয় সংগীত ৰূপে জনাজাত নহ'ল। ইয়াৰ কাৰণ বুলিবলৈ প্ৰথমতেই এটি অভাব চকুত পৰে যে আজিলৈ বৰগীতৰ সম্পূৰ্ণ স্বৰলিপি প্ৰকাশ নহ'ল। গতিকে স্বৰলিপি অবিহনে ইয়াৰ শাস্ত্ৰীয় ৰূপৰ সঠিক আৰু শুদ্ধ বিচাৰ হয় কেনেকৈ? সেইদৰে সত্ৰীয়া নৃত্য যে শাস্ত্ৰীয় নৃত্যহে এই কথালৈ মাজে-সময়ে আলোচনা হয় যদিও ইয়াতো একেটা কথাই খাটে। অৰ্থাৎ সত্ৰীয়া নৃত্যযে শাস্ত্ৰীয় নৃত্য হয় তাকে বুজাই ব্যাখ্যা কৰি যদি এখন ব্যাকৰণ প্ৰস্তুত নহয় তেতিয়া সত্ৰীয়া নৃত্যৰ বিশেষ শ্ৰীবৃদ্ধি আশা কৰা টান। ইয়াৰ আগেয়ে সত্ৰীয়া নৃত্যক ধ্ৰুপদী কৰিবলৈ হ'লে কি কৰিব লাগিব সেই লৈ প্ৰথমে আমি ঐক্যমতত উপনীত হব লাগিব। দুৰ্ভাগ্য যে এই কাম এতিয়াও হোৱাগৈ নাই। অৱশ্যে এনে কিছুমান কাম হৈ নুঠিলেও শংকৰদেৱৰ বিভিন্ন অৱদানৰ ওপৰত বিজ্ঞান সন্মত আলোচনা নোহোৱাকৈ থকা নাই বা এনে ধৰণৰ গ্ৰন্থযে প্ৰকাশ হোৱা নাই এনেও নহয়। ডঃ মহেশ্বৰ নেওগৰ যত্নতে মহাপুৰুষৰ সাহিত্য ৰাজিৰ আৰু সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল আদি গ্ৰন্থত এক বিজ্ঞান সন্মত বিচাৰ বিশ্লেষণ হৈছে।

ওপৰত উনুকিয়াই অহাৰ দৰে সত্ৰীয়া সংস্কৃতি যেতিয়া সত্ৰৰ চৌহদৰ পৰা বাহিৰলৈ ওলাই আহিল তেতিয়াৰ পৰা সত্ৰীয়া সংস্কৃতিৰ পৰম্পৰা ৰক্ষাৰ সমস্যাই মূৰ দাঙি উঠিল। সত্ৰৰ বাহিৰত গঢ় লৈ উঠা বিভিন্ন অনুষ্ঠানৰ লগত সত্ৰত প্ৰদৰ্শিত কলা পদ্ধতিৰ কিঞ্চিত পাৰ্থক্য আছে। সত্ৰত প্ৰদৰ্শিত কলাত ধৰ্মীয় বা সত্ৰীয়া নীতি যিদৰে ৰক্ষা কৰা হয় বাহিৰৰ অনুষ্ঠানে প্ৰদৰ্শন কৰোঁতে পৰম্পৰা পৰাখিনিহে ৰক্ষা কৰি সত্ৰীয়া কলা ৰূপটিক মনোমোহাকৈ প্ৰকাশ কৰিবলৈ যত্নবান হোৱা দেখা যায়।

সি যি কি নহওক, সকলোৰে গুৰি কথা হ'ল বিষয় অনুযাই উপযুক্ত পাঠ্যপুথি আৰু প্ৰণালীবদ্ধ শিক্ষাৰ ব্যৱস্থা কৰা। সংগীত সত্ৰই এই কথালৈ লক্ষ্য ৰাখিয়ে পাঠ্যপুথি ৰচনা আৰু প্ৰণালীবদ্ধ শিক্ষাৰ দিহা কৰিছে সেয়া নিশ্চয় সন্তোষৰ কথা। প্ৰণালীবদ্ধ শিক্ষাত শিক্ষাৰ এটা নিৰ্দ্দিষ্ট ক্ৰম থাকে। পাঠ্যক্ৰম অনুযায়ী সংগীত সত্ৰৰ শিক্ষা পদ্ধতিক ক্ৰমে নৰ্ত্তন, গায়ন আৰু বায়ন — এই তিনি ভাগত ভাগ কৰা হৈছে। প্ৰত্যেকৰে পাঠ্যক্ৰম ৫ বছৰীয়া। লগতে ভাৰতত প্ৰচলিত অইন সংগীতৰ ধাৰাৰ নিচিনাকৈ সত্ৰীয়া সংগীতৰ তুলনামূলক অধ্যয়ণ আৰু প্ৰশিক্ষণ সংগীত সত্ৰত দিয়াৰ ব্যৱস্থা আছে। জনামতে সংগীত সত্ৰই গৱেষণাৰ আঁচনি লৈছিল যদিও নানান কাৰণত তেনে আঁচনি থমকি ৰ'ল। এনে এটি মহৎ অনুষ্ঠান সংগীত সত্ৰই ৰূপালী জয়ন্তী পালন কৰিবলৈ মৰসাহ কৰি তদুপলক্ষে স্মৃতি গ্ৰন্থখনিৰ সম্পাদনাৰ দায়িত্ব এই অভাজনৰ ওপৰত অৰ্পণ কৰিছে।

এখন উৎকৃষ্ট মানৰ আৰু সৰ্ব্বাঙ্গ সুন্দৰ স্মৃতি গ্ৰন্থ সাজি-কাচি উলিয়াবলৈ সেইমতে অৰ্থবলৰ প্ৰয়োজন। তাৰোপৰি সাহিত্যিক আৰু সংগীতজ্ঞসকলৰ সহায়-সহযোগ অবিহনে এনে কাম সম্ভৱ নহয়। আমি অসম আৰু অসমৰ বাহিৰৰ কেইবাগৰাকীও বিশিষ্ট সাহিত্যিক, সমালোচকৰ পৰা প্ৰবন্ধ বিচাৰিছিলো আৰু তাৰে ভিতৰত পোৱাখিনি ইয়াত সন্নিবিষ্ট কৰা হৈছে। লগতে দুটি ইংৰাজী প্ৰবন্ধও সন্নিবিষ্ট কৰা হৈছে। সংগীত সত্ৰৰ ৰূপালী জয়ন্তী আৰু স্মৃতি গ্ৰন্থৰ সাফল্য কামনা কৰা অসমৰ মাননীয় ৰাজ্যপাল শ্ৰীযুত লোক নাথ মিশ্ৰ, অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত হিতেশ্বৰ শইকীয়া, বৰপেটা সত্ৰৰ

বুঢ়া সত্ৰাধিকাৰ (মোৰ শিক্ষা গুৰু) শ্ৰীযুত চন্দ্ৰকান্ত মিশ্ৰ আৰু কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীভৱকান্ত গোস্বামীৰ বাণীকেইটি স্মৃতি গ্ৰন্থত সশ্ৰদ্ধাৰে সন্নিবিষ্ট কৰা হৈছে। স্মৃতি গ্ৰন্থৰ কোনো কথালৈ দিহা পৰামৰ্শ বিচাৰি যেতিয়াই ড° মহেশ্বৰ নেওগদেৱৰ ঘৰলৈ গৈছো তেতিয়াই তেখেতে নৰীয়া গাৰেই আমাক উপদেশ দি প্ৰেৰণা যোগাইছে। ড° কপিলা বাৎসায়ন আৰু ড° সুনীল কোথাৰীয়ে উৎসৱ আৰু স্মৃতি গ্ৰন্থৰ সাফল্য কামনা কৰি আমালৈ প্ৰেৰণ কৰা পত্ৰৰ দাৰাও আমি উৎসাহ পাইছোঁ। সেয়েহে মাননীয় ৰাজ্যপাল, মাননীয় মূখ্যমন্ত্ৰী, সত্ৰাধিকাৰ দুজনালৈ, ড° বাৎসায়ন, ড° কোথাৰী আৰু ড° নেওগ দেৱলৈ আন্তৰিক শ্ৰদ্ধা আৰু শলাগৰ শৰাই আগ বঢ়ালোঁ। প্ৰবন্ধকাৰ সকলৰ প্ৰতিও কৃতজ্ঞতা জনাইছোঁ। স্মৃতিগ্ৰন্থ উপ-সমিতিৰ সভাপতি, গীতিকাৰ, কবি শ্ৰীকেশৱ মহন্তই প্ৰবন্ধসমূহ চকুফুৰাই দি উপকৃত কৰিছে। সত্ৰীয়া নৃত্যৰ ওজা, সংগীত সত্ৰৰ প্ৰতিষ্ঠাতা, শ্ৰদ্ধেয় শ্ৰীৰসেশ্বৰ শইকীয়া বায়ন আৰু সংগীত সত্ৰৰ সাধাৰণ সম্পাদক শ্ৰীপ্ৰদীপ বৰদলৈয়ে স্মৃতি গ্ৰন্থৰ প্ৰতি ক্ষেত্ৰতে সহায় কৰিছে। শ্ৰী-বায়নে আনকি প্ৰবন্ধ সংগ্ৰহৰ ক্ষেত্ৰতো যি পৰিশ্ৰম কৰিছে সেয়া পাহৰিব নোৱাৰোঁ। দুয়োগৰাকী-লৈ শ্ৰদ্ধা নিবেদন কৰিছোঁ। সাংস্কৃতিক সাংবা-দিক শ্ৰীবিকাশ বৰাই বিভিন্ন কামত সহায় কৰিছে। তেখেতলৈ শলাগ যাচিলোঁ।

স্মৃতি গ্ৰন্থত থকা আসোঁৱাহৰ বাবে পঢ়ুৱৈ আৰু প্ৰবন্ধকাৰ সকলৰ ওচৰত আমি মাৰ্জ্জনা বিচাৰিছো। ছপা কামৰ বাবে মাত্ৰ পোন্ধৰ দিনমানহে সময় পাইছিল যদিও ইমান কম সময়তে ইণ্টাণ প্ৰিণ্টাৰ্ছৰ সমূহ কৰ্মচাৰীয়ে ছপা কাম শেষ কৰা হেতু আমি আনন্দিত। তেওঁলোকলৈ শলাগ জনালোঁ।

ডিচেম্বৰ ২২, ১৯৯৩ চন।

শ্ৰীকিশোৰী মোহন পাঠক
সম্পাদক
স্মৃতি গ্ৰন্থ উপ-সমিতি



## সঙ্গীত সত্ৰত বিশিষ্ট অতিথি

দিল্লীৰ সঙ্গীত নাটক একাডেমীৰ পৰা অহা বিশিষ্টা পণ্ডিত ডঃ কপিলা বাৎসায়নে ১৯৭৩ চনৰ জুলাই মাহত সঙ্গীত সত্ৰ পৰিদৰ্শন কৰি তেখেতৰ মন্তব্য লিখি থকা অৱস্থাত লোৱা আলোক চিত্ৰ।

## সংগীত সত্ৰ গুৱাহাটীৰ ৰূপালী জয়ন্তী উৎসৱৰ অভ্যৰ্থনা সমিতি



বাওফালৰ পৰা ( বহি ) : ডঃ নিৰ্মল প্ৰভা বৰদলৈ ( উপদেষ্টা ), শ্ৰীনৰেন্দ্ৰ নাথ শৰ্মা ( উপদেষ্টা ), শ্ৰীৰাধা বৰা ( সভাপতি ), শ্ৰীভগগিৰি ৰায় চৌধুৰী ( উপদেষ্টা ), শ্ৰীৰমেশ্বৰ শইকীয়া ( সভাপতি, সাংস্কৃতিক বিভাগ )

বাওফালৰ পৰা ( থিয় হৈ ) : শ্ৰীজীৱনজিৎ দত্ত ( সম্পাদক, সাংস্কৃতিক বিভাগ ), শ্ৰীপ্ৰদীপ বৰদলৈ ( সম্পাদক ), শ্ৰীকিশোৰী মোহন পাঠক ( সম্পাদক, স্মৃতিগ্ৰন্থ ), শ্ৰীযতীন বায়ন ( সদস্য )

## ।। সংগীত সত্ৰ গুৱাহাটীৰ ৰূপালী জয়ন্তী উৎসৱৰ অভ্যৰ্থনা সমিতি বিষয়ববীয়া সকল ।।



শ্ৰীৰসেশ্বৰ শইকীয়া বৰ বায়ন মোক্তাৰ
সঙ্গীত সত্ৰৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আৰু ৰূপালী
জয়ন্তীৰ সাংস্কৃতিক সভাপতি




শ্ৰীৰাধা বৰা
সঙ্গীত সত্ৰৰ ৰূপালী জয়ন্তীৰ অভ্যৰ্থনা
সমিতিৰ সভাপতি



শ্ৰীপ্ৰদীপ বৰদলৈ
১৯৭২ চনৰ পৰা বৰ্ত্তমানলৈ
একেধাৰে ২১ বছৰ সঙ্গীত সত্ৰৰ
সাধাৰণ সম্পাদক



শ্ৰীকিশোৰী মোহন পাঠক
সঙ্গীত সত্ৰৰ ৰূপালী জয়ন্তীৰ
স্মৃতি গ্ৰন্থৰ সম্পাদক



শ্ৰীজীৱনজিৎ দত্ত
সঙ্গীত সত্ৰৰ ৰূপালী জয়ন্তীৰ
সাংস্কৃতিক সম্পাদক

## ॥ সংগীত সত্ৰ গুৱাহাটীৰ পৃষ্ঠপোষক, সভাপতি, উপ-সভাপতি আৰু কাৰ্য্যকৰী সভাপতি সকল ॥



ড° মহেশ্বৰ নেওগ
সঙ্গীত সত্ৰৰ প্ৰতিষ্ঠাপক সভাপতি
(১৯৬৮ চনৰ পৰা বৰ্ত্তমানলৈ)



৺ৰাধাগোবিন্দ বৰুৱা
সঙ্গীত সত্ৰৰ প্ৰথম পৃষ্ঠপোষক

৺ৰুদ্ৰ বৰুৱা
সঙ্গীত সত্ৰৰ উপ-সভাপতি
( ১৯৭৮-১৯৮০ চন )



শ্ৰীযোগেশ দাস
সঙ্গীত সত্ৰৰ কাৰ্য্যকৰী সভাপতি
( ১৯৮০-১৯৮৬ চন)



ডঃ বীৰেন্দ্ৰ নাথ দত্ত
সঙ্গীত সত্ৰৰ কাৰ্য্যকৰী সভাপতি
( ১৯৮০-১৯৮৬ চন )